চুটিগল্পৰ আঙ্গিক কৌশলৰ দিশত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ আন এটা শ্ৰেষ্ঠ গল্প "মাকণৰ গোসাঁই"। গল্পটোত লেখকৰ কোনো প্ৰকাৰ আদৰ্শগত বক্তব্য নাই। মানুহৰ মৌলিক প্ৰবৃত্তিয়ে অকণমান অনুকূল পৰিৱেশ পালেই কিদৰে আত্মপ্ৰকাশ কৰে, তাৰ অতি সাৰ্থক প্ৰকাশ ঘটিছে মাকণৰ গোসাঁই গল্পটোত। সন্তানহীনা বিধৱা মাকণৰ দ্বাৰা পুহি ৰখা আধ্যাত্মিক মূল্যবোধ আৰু বাপুকণ গোসাঁইৰ চাৰিত্ৰিক বৈশিষ্ট্য — এই দুটাৰ ৰূপায়ণেই মাকণৰ গোসাঁই গল্পৰ মূল উপজীৱ্য।

বিধবা মাকণে আৰ ঘৰে তাৰ ঘৰে বনবাৰি কৰি খাই থাকে। ওচৰৰে প্ৰতাপী আৰু প্ৰভাৱশালী গোসাঁই বাপুকণৰ ঘৰতে সৰহভাগ সময় কাম বন কৰে; কিন্তু কোনো দিন গোসাঁইৰ মনত মাকণৰ প্ৰতি অসৎ ভাবে দেখা দিয়া নাছিল। কিন্তু গোসাঁনী ঘৰত নথকা অৱস্থাত সামান্য সহায় বিচাৰি যাওঁতে গাভৰু মাকণৰ প্ৰতি গোসাঁইৰ মনত বাসনাৰ বিদ্যুৎ প্ৰবাহিত হ'ল। মাকণে গোসাঁইৰ পৰা কোনো কালে এনে আচৰণ আশা কৰা নাছিল। গোসাঁইৰো বাসনা ক্ৰমশঃ তীব্ৰতৰ হৈ উঠিল। কিন্তু মাকণৰ চৰিত্ৰৰ সততা আৰু মনৰ দৃঢ়তাৰ ওপৰত বাপুকণ গোসাঁই সেও মানিবলৈ বাধ্য হ'ল। শেহত পৰাজিত মনৰ সকলো

দুৰ্বলতা প্ৰকাশ কৰি বাপুকণ গোসাঁয়ে মাকণৰ ওচৰত আকুল আহ্বান জনাই ক'লে – "মোৰে শপত মাকণ, তই ভাল হ। তোৰ ওপৰত যদি মোৰ কিবা কুভাব হৈছিল, আজিৰ পৰা আৰু সেইবোৰ এৰিলোঁ। তোক বিতুষ্ট কৰিলে দেবী বিতুষ্ট হ'ব। আজিৰপৰা তই মোৰ ধৰ্মৰ লগৰী হবি।"

মাকণৰ ওচৰত বাপুকণ গোসাঁইৰ এই আত্মসমৰ্পণ সুলভ পৰাজয় আৰু গোসাঁইৰ এনে চাৰিত্ৰিক বৈশিষ্ট্যই গল্পটোৰ মুখ্য আকৰ্ষণ। আনহাতে মাকণৰ মনৰ মাজত পুঞ্জীভূত হৈ থকা আধ্যাত্মিক সংস্কাৰৰ দ্বাৰা পৰিচালিত চৰিত্ৰ হিচাপে মাকণৰ চাৰিত্ৰিক বৈচিত্ৰও গল্পটোৰ এক বিশিষ্ট সৌন্দৰ্য। দাৰিদ্ৰৰ সৈতে সংগ্ৰাম কৰি জীয়াই থকা বিধবা মাকণ সকলোৰে দ্বাৰা উপেক্ষিতা। সেইবাবে কোনো মানুহৰ ওপৰত মাকণৰ আস্থা নাই। মাকণৰ একমাত্ৰ আৰু সৰ্বশেষ ভাৰষা মাথোন তাই দৈনিক পূজা উপাসনা কৰি থকা জল-নাৰায়ণ গোসাঁইৰ প্ৰতিমূৰ্তিটো। যিটো মূৰ্তিক ঈশ্বৰ জ্ঞান কৰি মাকণে নিতৌ পূজা উপাসনা কৰে; সেই মূৰ্তিটো মাকণৰ বাবে কেৱল মাথোন এটা জড় মূৰ্তিয়ে নহয়; সি তাইৰ বাবে ত্ৰাণকৰ্তা ভগবান স্বৰূপ। সেইবাবে বাপুকণ গোসাঁয়ে মূৰ্তিটো নিব খোজাত তাই আপ্ৰাণ চেষ্টা কৰিছে; যাতে মূৰ্তিটো গোসাঁইৰ হাতৰ পৰা ৰক্ষা কৰিব পাৰে। মাকণৰ এই আধ্যাত্মিক ধাৰণাটো ইমানেই গভীৰ যে, মাকণৰ বাবে মৰ্তৰ জীৱন্ত মানুহতকৈ তাই অধিক গুৰুত্ব দিয়ে ভগবানৰ মূৰ্তিটোৰ ওপৰতহে। দৰাচলতে আৰ্থিকভাৱে দুৰ্বল আৰু বৌদ্ধিকভাৱে অনগ্ৰসৰ মানুহ মাত্ৰেই দৈৱ-নিৰ্ভৰশীল হৈ পৰে। মাকণৰ বেলিকাও এইষাৰ কথা প্ৰযোজ্য। মাকণহঁতৰ দৰে মানুহৰ বাবে মানুহৰ জীৱন নিয়ন্ত্ৰিত হয় দৈৱ-শক্তিৰ দ্বাৰা। গতিকে গল্পটোত মাকণৰ চৰিত্ৰৰ যোগেদি একোটা শ্ৰেণী চৰিত্ৰৰ মানসিকতা পোহৰলৈ আহিছে। এফালে মাকণৰ চৰিত্ৰৰ আধ্যাত্মিক মূল্যবোধত গুৰুত্ব আৰু আনফালে বাপুকণ গোসাঁইৰ মৌলিক কাম প্ৰবৃত্তি আৰু নীতিবোধৰ দ্বন্দ্ব – এই দুই ধৰণৰ বিশিষ্টতাই মাকণৰ গোসাঁই গল্পৰ সৌন্দৰ্য।